জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৩৫৩/২০২০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সুৰক্ষিত কৰি ৰখাৰ বাবে নিৰ্মাণ কাৰ্য চলি থকা মথাউৰি পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

# অহা ৩০ মে'ৰ ভিতৰত মথাউৰিৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ জলসম্পদ বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পেকেজক আদৰণি জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৩ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক বানপানীৰ পৰা সুৰক্ষিত কৰিবলৈ মৰিহোলাৰ পৰা অগৰাতলি ৰেঞ্জলৈ জলসম্পদ বিভাগে নিৰ্মাণ কাৰ্য চলাই থকা মথাউৰি পৰিদৰ্শন কৰি চৰজমিন বুজ লয়। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে জলসম্পদ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মথাউৰিটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰাৰ উপৰি অহা ৩০ মে'ৰ ভিতৰত এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে এছিয়ান ডেভেলপমেণ্ট বেংকৰ পুঁজিৰে ২৩.৩৮ কিঃমিঃ দৈৰ্ঘ আৰু ৭.৫ মিটাৰ বহলকৈ নিৰ্মাণ কৰি থকা মথাউৰিটোৱে বানপানীৰ কবলৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনক বহুলাংশে সুৰক্ষিত কৰি ৰাখিব পাৰিব।

আজিৰ এই পৰিদৰ্শনৰ সময়ত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, কৃষি মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কদ্বয় মৃণাল শইকীয়া, বিমল বৰা, গোলাঘাট জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, বোকাখাত মহকুমাৰ মহকুমাধিপতি প্ৰমুখ্যে জলসম্পদ বিভাগ আৰু বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমাৰ ৰাজ্যখনে প্ৰতিবছৰে বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰে। মুখ্যমন্ত্ৰীয়ে কয় যে লক্‌ডাউনৰ বাবে মথাউৰি নিৰ্মাণৰ কাম সময়মতে আৰম্ভ কৰিব পৰা নগ'ল। আগন্তুক বাৰিষাৰ কালছোৱাত হ'ব পৰা সাম্ভাব্য বানপানীৰ প্ৰতি লক্ষ্য ৰাখি মথাউৰি নিৰ্মাণৰ কাম জলসম্পদ বিভাগে ক্ষিপ্ৰতাৰে আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে জলসম্পদ বিভাগৰ প্ৰতিটো কাম মে' মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। জুন মাহৰ পৰা বানপানী হোৱাৰ বিষয়টো গুৰুত্ব আৰোপ কৰি চলিত মাহৰ ভিতৰতে মথাউৰি নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি তুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বানপানী অসমৰ ৰাইজ তথা কৃষক সমাজৰ বাবে বৃহৎ প্ৰত্যাহ্বান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজক নিৰাপত্তা দিয়াৰ বাবে ৰাজ্য চৰকাৰে মথাউৰি নিৰ্মাণৰ কাম শীঘ্ৰে সমাপ্ত কৰিব বিচাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে বৰাক আৰু ব্ৰহ্মপুত্ৰত হোৱা বানপানীৰ ফলত প্ৰতি বছৰে মানুহে দুৰ্যোগ ভূগিবলগীয়া হয়। মথাউৰি নিৰ্মাণৰ কাম সময়মতে সম্পূৰ্ণ হৈ উঠিলে বানপানীৰ কবলৰ পৰা বহুলোক ৰক্ষা পৰাৰ উপৰি কৃষি খণ্ডৰ ক্ষয়-ক্ষতি হ্ৰাস পাব।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীক সুৰক্ষা দিয়াৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। বানপনীৰ কবলৰ পৰা এই উদ্যানখন যাতে সুৰক্ষিত কৰি ৰাখিব পৰা যায় তাৰ বাবে মথাউৰি নিৰ্মাণৰ অগ্ৰগতিৰ তেওঁ প্ৰত্যক্ষভাৱে বুজ লৈছে। এই কাম সময়মতে সম্পূৰ্ণ হৈ উঠিলে বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণ ৰক্ষা পৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কৰ'না ভাইৰাছৰ বিৰুদ্ধে জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ জনসাধাৰণক সতৰ্ক আৰু সজাগ কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আগন্তুক দিনত ৰাজ্য চৰকাৰে আৰম্ভ কৰা সকলো কাম যাতে সময়মতে সম্পূৰ্ণ হৈ উঠে সেই ক্ষেত্ৰত সাংবাদিকসকলৰ সহযোগিতা বিচাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ অৰ্থনৈতিক ক্ষেত্ৰখনক পুনৰুজ্জীৱিত কৰাৰ বাবে অৰ্থনৈতিক পেকেজ ঘোষণাক আদৰণি জনায় মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দিয়াৰ সমান্তৰালভাৱে অসমৰ অৰ্থনৈতিক অৱস্থা ত্বৰান্বিত কৰাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন কৰ্মপথাৰত দৃঢ়তাৰে কাম কৰি যাব।

**বীঃগঃ / পুঃডেঃ**
**১৩/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in